# ৰাইজৰ বাতৰি

অষ্টম বছৰ তৃতীয় সংখ্যা ১৬-৩০ এপ্ৰিল ২০১৭

**পষেকীয়া বাৰ্তালোচনী**

**দ্বাৰকা পথ, গৃহ নং ঃ ১**

**দ্বিতীয় মহলা, হাতীগাঁও পথ**

**গুৱাহাটী ঃ ৭৮১০৩৮**

## এই সংখ্যাত

| | |
|---|---|
| সংকল্প গ্ৰহণৰ সময় আমাৰ বিহুতেই | ৪ |
| বিহু মঞ্চৰ বাৰেৰহণীয়া কৃষ্টিৰ মাধ্যমেৰে বৰ অসম গঢ়োঁ আহক | ৫ |
| নমামি ব্ৰহ্মপুত্ৰ উৎসৱত ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জী | ৭ |
| শদিয়াৰ পৰা ধুবুৰীলৈ লুইতৰ দুয়োপাৰে উছৱৰ মধু আলোড়ন | ৯ |
| দালাই লামাক ৰাজ্য চৰকাৰৰ সম্বৰ্ধনা | ১২ |
| বহু প্ৰতীক্ষিত ব্ৰহ্মপুত্ৰ খননৰ যুগান্তকাৰী চুক্তি সম্পাদন | ১৩ |
| ৰাজ্যৰ ৮ জিলাত প্ৰথম পৰ্যায়ৰ গুণোৎসৱ সম্পন্ন | ১৪ |
| ভাৰত-জাপানৰ সহযোগিতা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ | ১৬ |
| প্ৰধান মন্ত্ৰী উজ্জ্বলা যোজনা | ১৯ |
| কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সৈতে আলোচনাত মিলিত মুখ্য মন্ত্ৰী | ২১ |
| পিএমজিএছৱাইৰ অধীনস্থ পথ ক্ষিপ্ৰগতিত নিৰ্মাণৰ নিৰ্দেশ মুখ্য মন্ত্ৰীৰ | ২২ |
| প্ৰধান মন্ত্ৰীৰ সুৰক্ষা বীমা যোজনা আৰু জীৱনজ্যোতি বীমা যোজনা | ২৫ |
| মহিলা আৰু শিশুৰ বিৰুদ্ধে বৰ্ধিত অপৰাধজনিত ঘটনাত উদ্বিগ্ন মুখ্য মন্ত্ৰী | ২৭ |
| কৃষি খণ্ডত সহায়ক কৃষি ঋণপত্ৰ | ৩০ |
| নৰ্মদা জলবিদ্যুৎ প্ৰকল্প গুজৰাটবাসীৰ বাবে আশীৰ্বাদস্বৰূপ | ৩২ |
| মঞ্চ বিহু আৰু ইয়াৰ প্ৰাসংগিকতা | ৩৭ |
| পৰম্পৰাৰ সুবাস | ৩৯ |
| ড° ভূপেন হাজৰিকাৰ গীতত ব'হাগ বিহু আৰু প্ৰকৃতিৰ ৰূপ বন্দনা | ৪১ |
| ৰঙালী বিহু তথা অসমীয়া বস্ত্ৰ অলংকাৰৰ অতীত | ৪৪ |
| জীৱনৰ ৰঙা মেঘ আৰু সোণালী পাহাৰ | ৪৬ |
| কি নাম দি মাতো | ৪৮ |
| অকণিৰ চ'ৰা | ৫২ |
| কাব্য কানন | ৫৩ |
| অৰুণ শৰ্মাৰ মহাপ্ৰয়াণ | ৫৪ |
| লোক বিশ্বাস-পৰম্পৰাৰ দোমোজাত ব'হাগ বিহু | ৫৭ |
| বিৱৰ্তনৰ সোঁতত ব'হাগ বিহু ঃ এক সংক্ষিপ্ত আলোচনা | ৫৮ |
| মাইবাং ঃ অসমৰ এখন ঐতিহ্য ক্ষেত্ৰ | ৬০ |
| ‘খেলো ইণ্ডিয়া’ | ৬২ |
| অক্টোবৰত গুৱাহাটীত ১৭ বছৰ অনূৰ্ধ্ব ফিফা বিশ্বকাপ ফুটবল | ৬৪ |
| অসম পৰ্যটন | ৬৫ |
| মুখ্য মন্ত্ৰীৰ সৈতে মত বিনিময় | ৬৮ |

অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগ, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ হৈ সঞ্চালকৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

**উপদেষ্টা ঃ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী** **সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য**

Printed and published by Director, Information & Public Relations, Govt. of Assam, Dispur, Guwahati 781006 and printed at Assam Govt. press Guwahati-781021.

**Adviser : Dhirendra Nath Chakravartty** **Editor : Bhupendra Nath Bhattacharyya**

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

## সম্পাদকীয়

# ভৱিষ্যৎ গঢ়াৰ সময়

ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে ‘নমামি ব্ৰহ্মপুত্ৰ’ মহোৎসৱ উদ্বোধন কৰি দিয়া ভাষণত দক্ষিণ পূব এছিয়াৰ পৰিৱৰ্তিত প্ৰেক্ষাপটত অসমৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰিছে। ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকীৰ উপৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ব্ৰহ্মপুত্ৰক মাধ্যম হিচাপে গ্ৰহণ কৰি ব্যৱসায়-বাণিজ্য সম্প্ৰসাৰণ আৰু বিনিয়োজনৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰিছে। ‘নমামি ব্ৰহ্মপুত্ৰ’ৰ জৰিয়তে বৰলুইতক কেন্দ্ৰ কৰি গঢ়ি উঠা সভ্যতা-সংস্কৃতি আৰু ঐতিহ্যক বিশ্ববাসীৰ আগত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। এয়া এক শুভ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ পূৰ্ণ সহযোগত ‘নমামি ব্ৰহ্মপুত্ৰ’ মহোৎসৱ সফলভাৱে উদ্‌যাপিত হৈছে। প্ৰতিকূল বতৰ সত্ত্বেও জনসাধাৰণে হিল-দ’ল ভাঙি গৈ অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰিছে। এই মহোৎসৱৰ সময়তে বিশেষকৈ অসমৰ পৰ্যটন, উদ্যোগ আৰু পৰিবহণ ক্ষেত্ৰৰ বিকাশৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে। কেন্দ্ৰীয় পথ আৰু জল পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ উপস্থিতিত ‘নমামি ব্ৰহ্মপুত্ৰ’ মহোৎসৱৰ সামৰণিৰ দিনা ব্ৰহ্মপুত্ৰ খননৰ বাবে এখন ঐতিহাসিক চুক্তি স্বাক্ষৰিত হয়। ব্ৰহ্মপুত্ৰ খননৰ এই বৃহৎ কাৰ্য সম্পন্ন হ’লে জলপৰিবহণ ব্যৱস্থা সুচল হোৱাৰ উপৰি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে’ নিৰ্মাণ সম্ভৱ হ’ব আৰু বান সমস্যাৰো যথেষ্ট উপশম ঘটিব। ইতিপূৰ্বে ঘোষিত পূবলৈ চোৱা নীতি কাৰ্যকৰীকৰণৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী ৰূপায়ণ হোৱাৰ পিছত বাণিজ্যিক ক্ষেত্ৰত অসম যে এক গুৰুত্বপূৰ্ণ স্থানত উপনীত হ’ব সেইটো নিশ্চিত। তাৰ বাবেই এই প্ৰস্তুতি। ব্ৰহ্মপুত্ৰৰ বিশাল সম্ভাৱনাৰ বিষয়ে বিশ্ববাসীক অৱগত কৰাই ৰাজ্যখনলৈ পৰ্যটক আৰু বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ চেষ্টা চলোৱা হৈছে। ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ৰাজ্য চৰকাৰেও বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়াই যদি ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাকে ধৰি বিভিন্ন দিশৰ আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব পৰা যায় তেতিয়া হ’লে ভৱিষ্যতলৈ অসমে এক গুৰুত্বপূৰ্ণ বাণিজ্যিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব। ৰাজ্যখনৰ এনে উজ্জ্বল ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখিয়েই নিশ্চয় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে খৰতকীয়া গতিত বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰিবলৈ লৈছে। অসমৰ জনসাধাৰণ আৰু সামগ্ৰিকভাৱে ৰাজ্যখনৰ এক উজ্জ্বল ভৱিষ্যতৰ স্বাৰ্থত সকলোৱেই এতিয়া এই আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে মাৰবান্ধি আগবাঢ়ি আহিব লাগিব। ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ কাম-কাজৰ প্ৰতি ৰাইজৰ সদিচ্ছা আৰু সহযোগ প্ৰতিফলিত হৈছে। ‘নমামি ব্ৰহ্মপুত্ৰ’ মহোৎসৱৰ কালত বৰলুইতৰ দুয়োপাৰে ৰাইজৰ উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। যি মহৎ উদ্দেশ্য লৈ চৰকাৰে এই মহোৎসৱৰ আয়োজন কৰিছিল সেই উদ্দেশ্য সফল হ’ব বুলি আশা কৰিয়েই ৰাইজে নিশ্চয় ইয়াত যোগদান কৰিছিল। অসমৰ বিশাল জলসম্পদ ৰাশিৰ সদ্ব্যৱহাৰ কৰি অঞ্চলটোৰ অৰ্থনীতি টনকিয়াল কৰাৰ যে যথেষ্ট সুযোগ আছে সেয়া ইতিমধ্যে বিশেষজ্ঞসকলৰ বক্তব্যৰ পৰাই জানিব পৰা গৈছে। চৰকাৰেও সেই অনুসৰি পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় পথ আৰু জল পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ বক্তব্যতো কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা আৰু পূৰ্ণ সহযোগিতাৰ কথা প্ৰকাশ পাইছে। অসমৰ বাবে নিশ্চয় এয়া এটা সুন্দৰ সুযোগ। আমি আমাৰ ভৱিষ্যৎ গঢ়াৰ বাবে আগবাঢ়ি আহিলে নিশ্চয় সুফল লাভ কৰিম। তিব্বতৰ ধৰ্মগুৰু দালাই লামায়ো তেওঁৰ বক্তব্যত পৰিৱৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ গুৰুত্ব যে যথেষ্ট গুণে বৃদ্ধি পাইছে সেই কথা প্ৰকাশ কৰিছে। জাপানকে ধৰি এই অঞ্চলৰ কেইবাখনো দেশে ইতিমধ্যে অসম তথা উত্তৰ-পূবক গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। অসম যে এতিয়া বাণিজ্যিক ক্ষেত্ৰত এক উৰ্বৰা ভূমিত পৰিণত হ’বলৈ ওলাইছে সেয়া বিদেশৰ বিশেষজ্ঞসকলে উপলব্ধি কৰিছে। আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব পাৰিলেই নিশ্চয় অসমবাসীৰ সপোন পূৰ হ’বলৈ বেছিপৰ নালাগিব।

শেষত আটাইলৈ ৰঙালী বিহুৰ ওলগ আৰু অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জনালো। ❐❐

*ব্ৰহ্মপুত্ৰ খননৰ এই বৃহৎ কাৰ্য সম্পন্ন হ’লে জলপৰিবহণ ব্যৱস্থা সুচল হোৱাৰ উপৰি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে’ নিৰ্মাণ সম্ভৱ হ’ব আৰু বান সমস্যাৰো যথেষ্ট উপশম ঘটিব। ইতিপূৰ্বে ঘোষিত পূবলৈ চোৱা নীতি কাৰ্যকৰীকৰণৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী ৰূপায়ণ হোৱাৰ পিছত বাণিজ্যিক ক্ষেত্ৰত অসম যে এক গুৰুত্বপূৰ্ণ স্থানত উপনীত হ’ব সেইটো নিশ্চিত। তাৰ বাবেই এই প্ৰস্তুতি। ব্ৰহ্মপুত্ৰৰ বিশাল সম্ভাৱনাৰ বিষয়ে বিশ্ববাসীক অৱগত কৰাই ৰাজ্যখনলৈ পৰ্যটক আৰু বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ চেষ্টা চলোৱা হৈছে। ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ৰাজ্য চৰকাৰেও বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়াই যদি ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাকে ধৰি বিভিন্ন দিশৰ আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব পৰা যায় তেতিয়া হ’লে ভৱিষ্যতলৈ অসমে এক গুৰুত্বপূৰ্ণ বাণিজ্যিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব।*

# বিহুতে অসমক সমৃদ্ধিশালী ৰাজ্য ৰূপে গঢ়াৰ সংকল্প লওঁ আহক



*সৰ্বানন্দ সোণোৱাল*
*মুখ্য মন্ত্ৰী অসম*

বিহু অসমীয়াৰ আদৰৰ, মনৰ, হেঁপাহৰ, প্ৰাণৰ উৎসৱ। বিহুৰ জৰিয়তে অসমৰ লোক-বিশ্বাস, লোক-সংস্কৃতি, মানুহৰ লগত থকা প্ৰকৃতিৰ নিবিড় সম্পৰ্ক প্ৰকাশিত হৈ আহিছে। আমাৰ জাতীয় জীৱনৰ আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতি বিহুৰ লগত ওতপ্ৰোতভাৱে জড়িত। এই বিহু আমাৰ জাতিৰ প্ৰাণ স্পন্দন, সমাজৰ প্ৰতিচ্ছবি। কৃষিৰ লগত সম্পৰ্ক থকা বিহুয়ে আমাৰ কৰ্ম সংস্কৃতিৰো পৰিচয় দাঙি ধৰে।

বিহু অসমৰ জনজীৱনৰ প্ৰকাশ। কৃষিক আধাৰ হিচাপে লৈ গঢ় লৈ উঠা বিহুৱে আমাৰ সাংস্কৃতিক চিন্তা-চৰ্চাক প্ৰতিফলিত কৰে। আমাৰ সভ্যতা-সংস্কৃতিত বিহুৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ দুয়োপাৰে গঢ় লৈ উঠা আমাৰ জনজীৱন প্ৰতিফলিত হৈছে বিহুৰ মাজত। আমাৰ শক্তিশালী সাংস্কৃতিক চেতনাবোধ দেশ তথা বিদেশৰ জনগণে বিহুৰ মাজেৰে উপলব্ধি কৰি আহিছে। সেইবাবে ড° ভূপেন হাজৰিকাই কৈছিল— 'ব'হাগ মাথোঁ এটি ঋতু নহয়, নহয় ব'হাগ এটি মাহ, অসমীয়া জাতিৰ ই আয়ুস ৰেখা, গণজীৱনৰ ই সাহ'। ব'হাগক আমি এটি মাহ অথবা এটি ঋতু বুলি ভাবিলেই নহ'ব, ব'হাগে প্ৰদান কৰা অনুপ্ৰেৰণা আমাৰ জীৱনৰ চালিকা শক্তি হ'ব লাগিব।

সৰু-বৰ বিভিন্ন জাতি-জনগোষ্ঠীৰে আমাৰ ৰাজ্যখন পৰিপূৰ্ণ। পাহাৰ-ভৈয়ামত বসবাস কৰা এই জনগোষ্ঠীসমূহৰ জীৱনধাৰা সুকীয়া সুকীয়া। সামগ্ৰিকভাৱে সকলো সংস্কৃতিৰ দ্বাৰা মিলিত ৰূপত আমাৰ সংস্কৃতি প্ৰতিফলিত হৈছে। বিভিন্ন জনগোষ্ঠীয়ে নিজস্ব সংস্কৃতিৰ জৰিয়তে বিহু পালন কৰি আহিছে। প্ৰত্যেক জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহ বিহুৰ মাজেৰে প্ৰকাশ পাইছে। সেইবাবে বিহু হ'ল আমাৰ সাংস্কৃতিক চিন্তাৰ সামুহিক প্ৰকাশ। আমাৰ সংস্কৃতিয়ে যে সমন্বয়ৰ বাৰ্তা কঢ়িয়ায়, সেই কথা বিহুৰ মাজেৰে প্ৰতিফলিত হৈছে। বিহুৰ সাৰ্বজনীতা আছে। দেশ-বিদেশত থকা অসমীয়া মানুহে বিহু পালন কৰাৰ জৰিয়তে আমাৰ সাংস্কৃতিক জগতক চহকী কৰিব বিচৰাটো এক শুভ লক্ষণ। আমাৰ সংস্কৃতিৰ শক্তিশালী স্বৰূপ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব লাগিব। সেইবাবে খগেন মহন্তই গাইছিল— 'পাৰৰ পাখিত গাঁঠি দিলো, ফুলাম চিঠি খনি, জনাওঁ বুলি জগতখনক বিহুৰ ওলগনি'। বিহুৱে আমাক দিয়ে শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তা। সেই বাবে খগেন মহন্তই গোৱা আৰু কেশব মহন্তই ৰচনা কৰা গীতৰ মাজেৰে শান্তিৰ প্ৰতীক পাৰ চৰাইক বাৰ্তা বাহক হিচাপে সমগ্ৰ বিশ্বলৈ পঠিয়াব বিচাৰিছে।

ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ দুয়োপাৰৰ কৃষি আৰু কৃষকৰ জীৱন শৈলীৰ আধাৰত আমাৰ বিহু সংস্কৃতিৰ বিকাশ সাধন হৈছে। সেইবাবে আমি আমাৰ মাটিক ভাল পাব লাগিব। সংস্কৃতিক জীয়াই ৰাখিবলৈ হ'লে মাটিৰ লগত থকা আমাৰ সম্পৰ্ক সুদৃঢ় কৰিব লাগিব। প্ৰকৃতিয়ে দিয়া বিনন্দীয়া পৰিৱেশৰ মাজত বিহুৰ সংস্কৃতিয়ে আমাক সদায়ে প্ৰেৰণা যোগাই আহিছে। সেইবাবে আমি নদীক ভাল পাব লাগিব, নদীক উপলব্ধি কৰিব লাগিব। জনজীৱনৰ চেতনাত নদীক ব্যাপ্ত কৰিব লাগিব। নদীৰ পলসে আমাৰ শস্যভূমি সাৰুৱা আৰু সেউজীয়া কৰি আহিছে। বিহুৰ উৎপত্তিৰ এই মূল উৎসক আমি শ্ৰদ্ধা জনাব পাৰিব লাগিব। সেইবাবে আমি নমামি ব্ৰহ্মপুত্ৰ উৎসৱ অনুষ্ঠিত কৰিছো। ব্ৰহ্মপুত্ৰই বহন কৰিছে আমাৰ ঐতিহ্য, পৰম্পৰা, সংস্কৃতি আৰু অৰ্থনীতি। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰতে থকা পলসুৱা ভূমিয়ে আমাৰ শস্য পথাৰ নদন-বদন কৰিছে। কৃষিৰ উৎপাদনৰ ওপৰতে আমাৰ অৰ্থনৈতিক ভেটি গঢ়ি উঠিছে। ব্ৰহ্মপুত্ৰৰ শক্তি, সামৰ্থ্য আৰু সম্ভাৱনীয়তাক আমি বিকশিত কৰিব লাগিব। আমাৰ বৰ্ণাঢ্য সংস্কৃতিৰ বাৰ্তা বহন কৰা ব্ৰহ্মপুত্ৰক আমি নতুন ৰূপত আৱিষ্কাৰ কৰিব লাগিব। এই দায়িত্ব আমাৰ নতুন প্ৰজন্মই উপলব্ধি কৰিব লাগিব। বিশ্ববাসীয়ে উপলব্ধি কৰিব লাগিব বিভিন্ন সংস্কৃতিৰ উৎপত্তিস্থল ব্ৰহ্মপুত্ৰৰ আছে অপাৰ শক্তি। নমামি ব্ৰহ্মপুত্ৰ উৎসৱৰ জৰিয়তে আমাৰ সংস্কৃতিৰ ভেটি যে শক্তিশালী ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জী, ভূটানৰ প্ৰধান মন্ত্ৰী শ্বেৰিং টবগে, আধ্যাত্মিক গুৰু দালাই লামা, যোগগুৰু ৰামদেৱ, কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী, কেন্দ্ৰীয় পৰ্যটন আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ড° মহেশ শৰ্মা, কেন্দ্ৰীয় উদ্যোগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী বাবুল সুপ্ৰিয়, অৰুণাচলৰ মুখ্য মন্ত্ৰী প্ৰেমা খাণ্ডু, মেঘালয়ৰ মুখ্য মন্ত্ৰী মুকুল চাংমা, মণিপুৰৰ মুখ্য মন্ত্ৰী এন বীৰেন সিঙৰ লগতে বহু সংখ্যক বিশিষ্ট ব্যক্তিৰ এই উৎসৱত অংশগ্ৰহণেই প্ৰমাণ কৰে।

আমাৰ চহা জীৱনৰ আলমত গঢ় লোৱা বিহুক প্ৰকৃত ৰূপত উপলব্ধি কৰিব লাগিলে আমাৰ গাঁও অঞ্চলৰ উন্নয়ন সাধন কৰিব লাগিব। সেইবাবে ৰাজ্য চৰকাৰে 'মুখ্য মন্ত্ৰীৰ সমগ্ৰ উন্নয়ন যোজনা' নামৰ এক অভিলাষী কাৰ্যসূচী আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যখনৰ গ্ৰামাঞ্চলত এক নব্য অৰ্থনৈতিক ধাৰাৰ সূচনা কৰিব বিচৰা হৈছে। গাঁও অঞ্চলসমূহক পৰ্যটকৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব। ইয়াৰ বাবে আমাৰ মাজত সুস্থ সাংস্কৃতিক চেতনাবোধ গঢ় দিব লাগিব। অসমীয়া নতুন বছৰত আমি সংকল্পবদ্ধ হ'ব লাগিব। ব'হাগৰ আৱেদনে আমাৰ প্ৰাচুৰ্যতাক সুৰক্ষিত কৰি জাতিক একত্ৰিতভাৱে আগবঢ়াই নিয়াৰ বাবে আৰু আত্মনিয়োগ কৰাৰ বাবে এই শুভ ক্ষণতে আমি সংকল্পবদ্ধ হ'ব লাগিব।

অসম চৰকাৰৰ তৰফৰ পৰা যুৱ প্ৰজন্মৰ মনত জাতীয় উপলব্ধি জগাই তোলাৰ বাবে আৰু অসমক বিশ্বৰ বুকুত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ নিমিত্তে 'ডিস্কভাৰী অব আছাম' নামৰ এখন আঁচনি হাতত লোৱা হৈছে। অসমৰ কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি, ভাষা-সংস্কৃতি, লোক-বিশ্বাস ইত্যাদি আৱিষ্কাৰ কৰিবলৈ হ'লে বিষয়সমূহ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিব লাগিব। থলুৱা জনগোষ্ঠীসমূহৰ স্বকীয়তা সুৰক্ষিত কৰিবলৈ আমি সকলোৱে আগবাঢ়ি আহিব লাগিব। বিশ্ব দৰবাৰত আমাৰ পৰিচয় শক্তিশালী ৰূপত দাঙি ধৰিবলৈ হ'লে আমাৰ চহকী সংস্কৃতিক শ্ৰদ্ধা কৰিব লাগিব। বিশ্বৰ প্ৰতিখন শক্তিশালী ৰাষ্ট্ৰই নিজৰ পৰিচয় সংস্কৃতিৰে প্ৰকাশ কৰি স্বকীয়তা ৰক্ষা কৰি আহিছে।

সেয়েহে ৰঙালী বিহু পালনৰ এই পবিত্ৰ মুহূৰ্তত সকলো শ্ৰেণীৰ জনসাধাৰণক নতুন উৎসাহ-উদ্দীপনাৰে ৰাজ্যখনৰ বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ বাবে আহ্বান জনাইছো। আহক, আমি সকলোৱে মিলি জাতীয় উৎসৱ উদ্‌যাপনৰ জৰিয়তে আমাৰ জাতীয় সত্তাক যথাৰ্থ ৰূপত অনুভৱ কৰো। ❐❐

# সংকল্প গ্ৰহণৰ সময় আমাৰ বিহুতেই

❑ *ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী*

বুৰঞ্জীয়ে ঢুকি পোৱা দিনবোৰৰ বহু আগৰে পৰাই অসম নামৰ এই ভূখণ্ডৰ বুকুয়েদি সাতখন পাহাৰ বগাই বিশাল লুইতখন নিজ শক্তি আৰু সৌন্দৰ্য প্ৰদৰ্শন কৰি বৈ আছিল। উত্তৰে থকা বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ ওখ-চাপৰ চিৰসেউজীয়া পাহাৰবিলাকৰ বিপৰীতে দক্ষিণে খাচী-জয়ন্তীয়া আৰু গাৰো পাহাৰৰ লগতে নগা পাহাৰে অসম ভূখণ্ডক সুৰক্ষিত কৰি ৰাখিছিল প্ৰাকৃতিক দুৰ্যোগ আৰু অন্যান্য উপদ্ৰৱৰ পৰা। উত্তৰ আৰু দক্ষিণৰ এই পাহাৰবোৰৰ পৰাই কুলুকুলুকৈ বৈ আহিছিল অসংখ্য জান-জুৰি আৰু খৰস্ৰোতা নদী। প্ৰকৃতিৰ এনে যাদুকৰী পৰশতেই অসমৰ মাটি হৈ পৰিছিল অতি সাৰুৱা। এই সাৰুৱা মাটিক নিৰ্ভৰ কৰিয়েই অসমত গঢ়ি উঠিছিল প্ৰথম জনবসতি। প্ৰকৃতিৰ পক্ষপাতিত্বৰ বাবেই অসমত ঘটিছিল প্ৰাণী আৰু উদ্ভিদৰ অপূৰ্ব সমাৱেশ। এনে এক স্বৰ্গীয় পৰিৱেশতেই অসমৰ মাটিত এদিন গঢ়ি উঠিছিল জনবসতি। প্ৰথমচাম মানুহ বাহিৰৰ পৰাই আহিছিল নে এই ভূখণ্ডৰেই প্ৰথম সন্তান আছিল তাক এতিয়াও শুদ্ধকৈ ক'ব পৰা নাই। কিন্তু পৰৱৰ্তী কালত তৰপে তৰপে সংমিশ্ৰিত হৈছিল অনেক নতুন মানুহ। এই নতুন মানুহবিলাকেই অতি পুৰণিসকলৰ ভিতৰত আছিল আজিৰ তথাকথিত কৈৱৰ্ত সম্প্ৰদায়ৰ মানুহখিনিৰ প্ৰথম পূৰ্বপুৰুষসকল। তেওঁলোকৰ গাত আছিল দ্ৰাবিড়ীয়-অষ্ট্ৰিকৰ মিশ্ৰিত তেজৰ সোঁত। পৰৱৰ্তী কালত বৃহত্তৰ মংগোলীয় গোষ্ঠীৰ ঠাল-ঠেঙুলিস্বৰূপ কাৰ্বি, বড়ো, চুতীয়া, মৰাণ-মটক, যোগী, তিৱাৰ উপৰি প্ৰথম আৰ্যকুলীয় কলিতাসকলকে ধৰি অসংখ্য জনগোষ্ঠীয়ে অসমত বসতি স্থাপন কৰে। প্ৰাক্ ঐতিহাসিক যুগৰে পৰা অসমৰ মাটিত বসতি স্থাপন কৰা প্ৰথম অসমীয়াসকলে নিজ নিজ সুকীয়া ভাষাৰে মনৰ ভাব ব্যক্ত কৰিছিল। কিন্তু তাৰ মাজেৰে কৈৱৰ্তসকলে পোন প্ৰথমতে সৃষ্টি কৰিছিল এটা নতুন ধাৰাৰ। পূৰ্বৰ শদিয়াৰ পৰা ধুবুৰীলৈকে এই ঠাইটুকুৰাত নাৱেৰে অহা-যোৱা কৰি কৈৱৰ্তসকলে পোন প্ৰথমতে সংক্ষিপ্ত শব্দৰে উদ্ভাৱন কৰিছিল এক উমৈহতীয়া ভাষা বা লিংগুৱা ফ্ৰাংকা। আমাৰ প্ৰথমচাম পূৰ্বপুৰুষৰ মাজত চলা প্ৰথম উমৈহতীয়া ভাষাটোৱেই নৱম শতিকাৰ পৰা স্বকীয় মৰ্যাদাৰে আত্মপ্ৰকাশ কৰে অসমীয়া ভাষা হিচাপে। কিন্তু তাৰ বহু কাল আগতেই অসমৰ বুকুলৈ নামি আহিছিল চ'তৰ শেষভাগৰ বৰষুণজাক। শুকান পাহাৰবোৰ লাহে লাহে হৈ পৰিছিল সেউজীয়া। তৰাং হৈ পৰা নৈবোৰত আহিছিল নপানীৰ সোঁত। পাহাৰৰ নামনিত আৰু নৈবোৰৰ পাৰত অনেক সুগন্ধি ফুল ৰমক-জমককৈ ফুলি উঠিছিল। বসন্তৰ আগমনত অসমৰ প্ৰকৃতিয়ে ৰূপহী হৈ নিজকে সজাই-পৰাই তুলি ইয়াৰ জনসাধাৰণক কৰি তুলিছিল মতলীয়া। প্ৰকৃতিৰ যাদুকৰী পৰশতেই প্ৰথম অসমীয়াখিনিয়ে অচিন চৰাইবোৰৰ সুললিত কণ্ঠৰ অনুসৰণত গাবলৈ লৈছিল প্ৰথম বিহুগীত। শীতৰ অৱসান আৰু গ্ৰীষ্মৰ আগমনৰ আগ মুহূৰ্তত অসমৰ প্ৰাকৃতিক পৰিৱেশ মধুৰ হৈ পৰে, সেয়ে ইয়াৰ মানুহখিনিৰ মনলৈ আনে এক বিৰল তৃপ্তি আৰু উৎসাহ। আমাৰ প্ৰথম মানুহখিনিয়ে এনে এক পৰিৱেশতেই আৰম্ভ কৰিছিল প্ৰথম নাচ আৰু গীত। নিচেই সাধাৰণভাৱে আৰম্ভ কৰা এই নাচ-গানৰ পৰাই কালক্ৰমত জন্মলাভ কৰিলে বিহুগীত আৰু নৃত্যই। প্ৰথম অৱস্থাত নাচ-গানেৰে আৰম্ভ কৰা এই কাৰ্যসূচীয়েই কালক্ৰমত বছৰেকীয়া ৰূপ ধাৰণ কৰে আৰু নাচ আৰু গানৰ লগতে যোগ দিয়া হয় নানা ধৰণৰ বাদ্য পৰিৱেশন। সম্পূৰ্ণৰূপে ঋতু পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰ কৰি যি গীত আৰু নৃত্য আৰম্ভ কৰা হৈছিল আৰু যাৰ আনুষংগিক অংগ হিচাপে গ্ৰহণ কৰা হৈছিল বিভিন্ন ধৰণৰ সু-স্বাদু খাদ্য প্ৰস্তুতি। এনে গীত-মাত আৰু খাদ্য সম্ভাৰে কালক্ৰমত জন্ম দিছিল ব'হাগ বিহুৰ। ব'হাগ বিহুৰ আধাৰতেই এদিন স্থায়ী কৃষিৰ যুগত আমাৰ মানুহে প্ৰৱৰ্তন কৰিলে মাঘ বিহু আৰু কাতি বিহুৰ। অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে বিহুৰ উৎপত্তি আৰু বিকাশত নিজ নিজ প্ৰতিভাৰে বিশিষ্ট অৱদান আগবঢ়াই আহিছে। প্ৰথম অৱস্থাত কছাৰী, মৰাণ, মটক আৰু চুতীয়াসকলে আৰু পৰৱৰ্তী সময়ত আহোমসকলে বিহুৰ ৰূপান্তৰ আৰু ইয়াৰ সাৰ্বজনীনকৰণত নিজ নিজ বিশিষ্ট অৱদান আগবঢ়াই আহিছে। অসমীয়া জাতিৰ সামূহিক জীৱনৰ উত্থান-পতনৰ সকলো আনন্দ-হতাশাই বিহুত সুন্দৰৰূপে প্ৰতিফলিত হৈ আহিছে। বিহুগীতসমূহে (যাক দৰাচলতে বিহুনাম বুলিহে ক'ব লাগে) অসমীয়াৰ জাতীয় জীৱনত এক চলন্ত বুৰঞ্জীৰ দৰেই কাম কৰি আহিছে। আহোম স্বৰ্গদেউসকলৰ দিনত বিহুক ৰজাঘৰ আৰু ডাঙৰীয়াসকলৰ চোতাললৈ অনা হ'ল। বিহুত কেৱল যে যৌৱনৰ আনন্দ-উল্লাসৰে প্ৰতিফলন ঘটে, এনে নহয়। শিশুৰ পৰা বৃদ্ধলৈকে বিহুয়ে আনে একোটা বিশেষ বতৰা। ডেকাসকলে বিহুত প্ৰেয়সীৰ সৌন্দৰ্যৰ প্ৰতিফলন বিচৰাৰ দৰে বৃদ্ধসকলে ইয়াত বিচাৰি পায় সৃষ্টিকৰ্তাৰ বিনন্দীয়া ৰূপ আৰু অপাৰ মহিমা। আনহাতে শিশুসকলে লাভ কৰে ভোগ আৰু নৃত্যৰ মাধ্যমেৰে অপাৰ আনন্দ। বিহুয়ে কেৱল বতৰৰ আনন্দকেই ঢালি নিদিয়ে, দুৰ্যোগ আৰু বিপ্লৱত বিহুয়ে যেনেকৈ অসমীয়াক সংগঠিত কৰি তোলে, সেইদৰে যুদ্ধৰ সময়ত প্ৰতিজ্ঞাবদ্ধ আৰু আনন্দৰ সময়ত উৎফুল্লিত কৰি তোলে। এই বিহুৰ সময়তে মায়ামৰা বিপ্লৱৰ পিছত কুৰংগনয়নীৰ মন্ত্ৰণা ক্ৰমে ৰজাঘৰীয়াই হত্যা কৰে ৰাঘৱ মৰাণ নামৰ বিদ্ৰোহীজনক। সেইদৰে জয়মতীৰ হত্যা আৰু মণিৰাম দেৱানৰ ফাঁচিৰ কাহিনীয়ো বিহুগীতত কৰুণভাৱে বৰ্ণনা কৰা হয়। ইংৰাজৰ দিনত আৰম্ভ হোৱা যন্ত্ৰ বিপ্লৱ, নগা আৰু মিচিমি জনজাতিৰ সৈতে চলা বেহা-বেপাৰ আৰু কাষৰীয়া সকলো জনজাতিৰ লগত চলা সংস্পৰ্শৰ কথাও বিহুগীতসমূহৰ জৰিয়তে বৰ্ণনা কৰা হয়। এসময়ত আমাৰ ৰাজ্যত কৃষিখণ্ডৰ পূৰ্ণ পয়োভৰ আছিল। স্বনিৰ্ভৰশীল অৰ্থনীতিৰে অসমীয়া জাতিয়ে নিজকে প্ৰতিষ্ঠিত কৰিছিল সম্পূৰ্ণভাৱে। বিহুৰে ইতিমধ্যে পৰিৱৰ্তনৰ বোৱতী সোঁতত কিছু বাগৰ সলাইছে। তথাপি মূল চালিকা শক্তি একেদৰেই আছে। আধুনিকতা অথবা পশ্চিমৰ যান্ত্ৰিক বিকাশে আমাৰ সমাজক প্ৰভাৱিত কৰাৰ দৰে বিহুকো স্পৰ্শ নকৰাকৈ থকা নাই। বিহু বিজতৰীয়া হৈছে বুলি আমাৰ বহু লোকে সাধাৰণতে চক খাই উঠে। আধুনিক সভ্যতা, বিশ্বায়ন আৰু শেহতীয়াভাৱে বৈদ্যুতিন মাধ্যমৰ প্ৰচণ্ড প্ৰভাৱ অসমীয়াৰ জীৱনত পৰাৰ দৰে বিহুকো স্বাভাৱিকভাৱেই ই স্পৰ্শ কৰিছে। বিহুগীতৰ গতি আগৰ তুলনাত খৰ হৈছে আৰু সেইদৰে নাচবোৰলৈকো আহিছে তীব্ৰতা। মানুহৰ খাদ্যাভ্যাস সলনি হৈছে। সেয়ে ঢেঁকীত খুন্দা চিৰা আৰু আগৰ দিনৰ সান্দহ বা আন জা-জলপান হুবহু আগৰ দৰে পোৱাটো অসম্ভৱ হৈ পৰিছে। বহু জান-জুৰি আৰু নৈ লাহে লাহে নাইকিয়া হ'ল। অনেক নৈৰ পানী হাতেৰে চুব নোৱাৰা হ'ল। বনৰীয়া ফুল আৰু সুগন্ধি লতা লাহে লাহে নাইকিয়া হ'ল। নাইকিয়া হ'ল আগৰ দিনৰ সুললিত কণ্ঠৰ নানাৰঙী চৰাইবোৰ। মানুহৰ ব্যস্ততা বাঢ়িল। ঘৰে ঘৰে বিহু জলপান খোৱাৰ বহুতৰে সময় নাইকিয়া হ'ল। কিন্তু তাৰ মাজতেই বিহু বাচি থাকিব। পৰিৱৰ্তিত পৰিৱেশৰ মাজতেই আমি বিহু পাতিব লাগিব। তাহানি বোপা-ককাহঁতৰ দিনৰ দৰে আমি এতিয়া বিহু পতাৰ দিন উকলিল। কিন্তু বিহু আমি পাতিবই লাগিব। তাহানি বিহুতেই অসমীয়াই সংকল্প গ্ৰহণ কৰিছিল নতুন কাৰ্যসিদ্ধিৰ বাবে। এতিয়াৰ অসমীয়ায়ো সংকল্প গ্ৰহণ কৰিব লাগিব অসমক বাংলাদেশীমুক্ত আৰু সন্ত্ৰাসমুক্ত কৰিবৰ বাবে। বিহু ঢোলৰ চেৰেৰে আমি আমাৰ দেহ-মন শক্তিশালী কৰিব লাগিব বাংলাদেশী আৰু দেশদ্ৰোহী যিকোনো নৈৰাজ্যবাদী, সন্ত্ৰাসবাদী দস্যুৰ আক্ৰমণ ওফৰাই পেলাবৰ বাবে। ❑❑

# বিহু মঞ্চৰ বাৰেৰহণীয়া কৃষ্টিৰ মাধ্যমেৰে বৰ অসম গঢ়োঁ আহক

❑ *শংকৰ দাস*

*এই বিহু হ'ল সংকল্পৰ বতৰ। গোষ্ঠী-জনগোষ্ঠীয় বিবাদ, পোৱা-নোপোৱাৰ বেদনা পৰিহাৰ কৰি, বিজতৰী তথাকথিত আধুনিক দুষ্কৃতিৰ দ্বাৰা প্ৰদূষিত সামাজিক পৰিৱেশক প্ৰত্যাহ্বান জনাই, পৰস্পৰৰ ঈৰ্ষা-দ্বেষ আদি সকলো ত্যাগ কৰি জাতীয় ঐক্য অটুট ৰখাৰ সংকল্প লোৱাৰ সময়। নৈতিক স্খলনে ভুলুণ্ঠিত কৰা মানৱতাক পুনৰুজ্জ ীৱিত কৰাৰ সময়। যুগৰ পৰিৱৰ্তনৰ লগত খাপ খুৱাই, বিহুৰ স্বকীয় বৈশিষ্ট্যৰ বিকৃতি হ'বলৈ নিদি অতিকৈ আপোন বিহুটিক জাতিটোৰ সোপান হিচাপে লৈ সুন্দৰ, শক্তিশালী সমাজ নিৰ্মাণত সহযোগী হওঁ আহক। বিহু বিহ নহৈ অমৃত হ'ব, জাতিটোৱে অমৰত্ব লাভ কৰিব।*

'বিহু'। দুটা আখৰৰ এই শব্দটো অসমৰ জাতীয় জীৱনত এনেদৰে সোমাই পৰিছে, ই যেন শৰীৰৰ এক অভিন্ন অংগহে—ইচ্ছা কৰিলেও পৃথক কৰিব নোৱাৰি। বেছি অতীতলৈ নগৈয়ো যদি বিগত তিনিটা বা চাৰিটা দশকৰ অসমৰ ইতিহাসৰ পাত লুটিয়াই চোৱা হয়, তেন্তে আমি দেখা পাম যে অসমীয়া জাতিটোৰ বাবে ই কেৱল বাপতি সাহোন অৰ্থাৎ পৈতৃক সম্পত্তিয়েই নহয়, ই হ'ল আমাৰ হতাশা, নিৰাশা অথবা যিকোনো প্ৰতিকূলতাক প্ৰত্যাহ্বান জনাব পৰা অদম্য উৎসাহ আৰু উদ্দীপনাৰ কেন্দ্ৰবিন্দু। কুখ্যাত জৰুৰীকালীন অৱস্থা, সুদীৰ্ঘ বিদেশী বহিষ্কাৰ আন্দোলন অথবা সন্ত্ৰাসবাদৰ লগতে বিচ্ছিন্নতাবাদৰ উত্থান আদিৰে জৰ্জৰিত, অদ্যাৱধি তথাকথিত আধুনিক পশ্চিমীয়া বিজতৰীয়া দুষ্কৃতিয়ে গ্ৰাস কৰিবলৈ ধৰা সমাজখনত বিহুৱে কিন্তু নিজৰ স্বকীয় বৈশিষ্ট্য অটুট ৰাখি অসমৰ জাতীয় জীৱন গুণ্ঠিত কৰিবলৈ সক্ষম হৈছে। অৱশ্যে 'বিহু'ক ব্যৱসায়লৈ পৰ্যবসিত কৰি শিল্পীৰ চোলা ধাৰণ কৰা এচামে ইয়াৰ অৱক্ষয় নঘটোৱাকৈ থকা নাই—শ্ৰুতিকটু হ'লেও ই কিন্তু সত্য।

বিহু কেতিয়া, ক'ৰ পৰা কেনেকৈ উৎপত্তি হ'ল এই সম্বন্ধে পণ্ডিতসকলৰ মতভিন্নতা থাকিলেও অসমৰ প্ৰায় সকলো জনগোষ্ঠীয়ে কিন্তু নিজা উদ্ভাৱন বুলি গণ্য কৰে। বিহুৰ ওপৰত একচেতীয়া কৰ্তৃত্ব বিচাৰি সকলোৱে নিজৰ বুলি দাবী কৰিব খোজা কথাটোৱেই হ'ল বিহুৰ সাৰ্বজনীন গ্ৰাহ্যতাৰ প্ৰমাণ। বিভিন্ন জনগোষ্ঠীৰ ৰীতি-নীতি-কৃষ্টিৰ আধাৰত পালিত বিহুৰ সামান্য পৃথকতা থাকিলেও কিন্তু মূল উদ্দেশ্য একেই।

১৯ শতিকাৰ ইংৰাজৰ আমোলত কিন্তু আজিৰ দৰে বিহুৱে এই সাৰ্বজনীনতাৰ শীৰ্ষত স্থান পোৱা নাছিল। তদানীন্তন অসমৰ মূধাফুটা প্ৰায়বোৰ লোকেই বিহুৰ বিৰোধিতা কৰিছিল বুলি জনা যায়। অসমীয়া ভাষা-সাহিত্যৰ আগৰণুৱা ব্যক্তি প্ৰয়াত আনন্দৰাম ঢেকিয়াল ফুকনে ৰঙালী বিহুক অশ্লীল নৃত্য-গীত বুলি কোৱাৰ লগতে অসমীয়া সমাজখনক বেয়াৰ ফাললৈ লৈ গৈছে বুলি আক্ষেপ কৰিছিল। ১৮৮৮ চনত বাংলা ভাষাত লিখা 'আসাম বুৰঞ্জী'ত গুণাভিৰাম বৰুৱাদেৱে বিহু সম্পৰ্কে এইদৰে লিখিছে—'চৈত্যৰ বিহুত সংক্ৰান্তিৰ পৰা সাতদিন কোনো ঠাইত ইতৰ লোকসকলে স্ত্ৰী-পুৰুষে কোনো প্ৰকাশ্য স্থানলৈ গৈ নৃত্য-গীত কৰে। সেই সময়ত অবাচ্য আৰু অশ্লীল গীত গোৱা হয় আৰু নিৰ্লজ্জ ভাব-ভংগী দেখুওৱা হয়। এই নিয়ম শীঘ্ৰে দেশৰ পৰা গুচিলে বৰ উপকাৰ আৰু সু-নীতি সংস্থাপন কৰা হ'ব।

১৮২৯ চনত 'আসাম বুৰঞ্জী'ত (বাংলা ভাষাত লিখা) হলিৰাম ফুকনে লিখিছে—'বিহুনামৰ উৎসৱটোত সাধাৰণ লোকেৰ স্ত্ৰীলোক লম্পট পুৰুষসকল একত্ৰ হৈয়া অত্যন্ত জুগুপ্সিত নৃত্য-গীত কৰিয়া থাকে। পল্লীগ্ৰামে সৰ্বাপেক্ষা এই পৰ্ব অধিক কিন্তু এই কু-ৰীতি কামৰূপে নাই।

"লোক সংস্কৃতিৰ সামাজিক অনুষ্ঠানবিলাকৰ আন এক ভাগ মূলতঃ কৃষি আৰু উৎপাদনশীল কৰ্মৰ লগত জড়িত। উৰ্বৰতা আৰু উৎপাদন বৃদ্ধি তথা সমৃদ্ধিৰ উদ্দেশ্যে নানা কৃষি উৎসৱ, ঋতু ভিত্তিক উৎসৱ আদি আদিম কালৰ পৰাই মানুহে পালন কৰি আহিছে। লোক উৎসৱবিলাকৰো নিজা সুকীয়া ইতিহাস নাই। সমাজ, ধৰ্মীয় জীৱন, কৃষিৰ বিভাগ তথা উৎপাদনশীল জীৱনৰ বৈশিষ্ট্য আদিৰ লগত লোক উৎসৱবোৰ জড়িত।

ধৰ্মীয় নাম, নাচ, নাট-ভাওনা, যজ্ঞ, সমূহীয়া অন্য ৰীতি-নীতিৰ ওপৰত ঐতিহাসিকভাৱে বস্তুগত বিকাশ, সামাজিক বিকাশ তথা ৰাষ্ট্ৰৰ বিকাশৰ বিভিন্ন ধৰণে প্ৰভাৱ পৰে।" (*অসমৰ সাংস্কৃতিক ইতিহাস অসম সাহিত্য সভা*)

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে উল্লেখ কৰিছে এইদৰে ঃ নৃত্যৰ প্ৰথম উৎস তেতিয়া হ'লে একেযাৰ কথাত 'অনুভৱ'। অংগচালনা আৰু কণ্ঠস্বৰ সঞ্চালন অনুভূতিৰ প্ৰাচীনতম প্ৰকাশ পথ।

সভ্যতাৰ আৰম্ভণিতে যেতিয়া হয়তো মানৱ মগজুৰ বিকাশৰ প্ৰাথমিক স্তৰ আছিল, তেতিয়া প্ৰাকৃতিক ঘটনাবোৰ তেওঁলোকৰ বাবে আচহুৱা, ভয় অথবা শংকাৰ কাৰণ আছিল। হয়তো বিজুলী দেখিলে বা বৰষুণ দেখিলে অথবা ধুমুহা আহিলে ভয় খাইছিল। কোনো অদৃশ্য শক্তিৰ ওচৰত নিজকে সমৰ্পণ কৰিবলৈ বাধ্য হৈছিল। তাৰ পৰাই সম্ভৱতঃ ঈশ্বৰৰ কাল্পনিক চৰিত্ৰ এটা নিৰ্মাণ কৰি লোৱা হৈছিল। সেইবাবে বৰষুণ বিচাৰি বৃষ্টিৰ নৃত্য, অগ্নি বিচাৰি অগ্নি নৃত্য, ধুমুহাৰ পৰা পৰিত্ৰাণ বিচাৰি বায়ু আগমনৰ সমূহীয়া নৃত্য। এয়াই সমূহীয়া উৰ্বৰতা বা সমৃদ্ধিৰ নৃত্য। 'শস্যৰ সমৃদ্ধি বিচাৰি সকলোৱে একগোট হৈ প্ৰকৃতিৰ সমৃদ্ধিৰ প্ৰতীকী অভিনয় যৌন-মিলনৰ নৃত্য আৰম্ভ কৰে। এইটো সকলো কৃষি ভিত্তিক উৰ্বৰতা নৃত্যৰ আৰম্ভণি। অসমীয়াত বিহু তথা অন্য সকলো জনজাতিৰ বিহু আদিম উৰ্বৰতাকামী কৃষি তথা প্ৰকৃতিৰ জৰিয়তে সমৃদ্ধি কামনা কৰা নৃত্য-গীতৰ উন্নীত সংস্কৃত ৰূপ। এনে নৃত্য-গীতৰ সেয়ে যৌন উদ্দামতাৰ লগত ঐশ্বৰিক ভাৱনা তথা দৈৱী ভাৱনা সংযুক্ত হৈছে উন্নত যুগত।' (*অসমৰ সাংস্কৃতিক ইতিহাস*)

অৰ্থাৎ আজিৰ বিহু হ'ল পুৰণি সমূহীয়া যৌন নৃত্যৰ সংস্কৃত্যায়িত ৰূপ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সামাজিক বিকাশৰ বিভিন্ন ধৰণে প্ৰভাৱ পৰাৰ ফলত আৰু বিশেষকৈ অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশত যিদৰে বিহুৱে স্থান অধিকাৰ কৰিছে আমি নিবিচাৰিলেও ই জাতীয় উৎসৱ হৈ পৰিছে। এটা সময় আছিল নামনি অসমৰ মানুহে একে আষাৰে বিহুক জাতীয় উৎসৱ বুলি স্বীকাৰ কৰিবলৈ সংকোচ কৰিছিল, আজি আৰু সেই স্থিতি নাই। বিহু হৈ পৰিছে অসমীয়াৰ বাপতি সাহোন। সম্ভৱ আহোম ৰাজত্ব কালত বিহুক ৰাজদৰবাৰত স্থান দিয়াৰ পৰাই বিহু সাৰ্বজনীন হৈ পৰিছে। গাঁৱৰ আটাইতকৈ জ্যেষ্ঠজনৰ দ্বাৰা বিহু হুঁচৰি আৰম্ভ কৰি চোতালে চোতালে গৈ গৃহস্থক আশীৰ্বাদ দিয়া পৰম্পৰাত সাত্ত্বিক ভাব প্ৰকট হোৱাত সামাজিক শৃংখলতাৰ এক সুন্দৰ পৰম্পৰাৰ বিকাশ হৈছে। আঁঠু লৈ হুঁচৰি দলৰ পৰা আশীৰ্বাদ লোৱা, গৃহস্থই শৰাই আগবঢ়োৱা আদি ৰীতিয়ে নিঃসন্দেহে সামাজিক বান্ধোন কটকটীয়া কৰে। সৰুৱে ডাঙৰক প্ৰণাম কৰা অথবা আপোনজনক বিহুৱানেৰে মৰম যচা আদি প্ৰথাই আত্মীয়তা সুদৃঢ় কৰাৰ লগতে আমাৰ ভাৰতীয় সংস্কৃতিৰ ব্যৱহাৰিক প্ৰয়োগৰ ক্ষেত্ৰত নতুন প্ৰজন্মক উদগণি যোগাইছে। এয়া হ'ল বিহুৰ ইতিবাচক দিশ।

বৰ্তমানৰ বিহুৰ যি সংস্কৃত ৰূপ ইয়ে অসমৰ লগতে সমগ্ৰ পূৰ্বাঞ্চলৰ বাবে সমন্বয়ৰ সেতু হ'ব পাৰিব লাগিছিল, আৰ্থ-সামাজিক ক্ষেত্ৰত আমাৰ ইতিবাচক দিশত গতিশীল কৰিব পাৰিব লাগিছিল। বাস্তৱত সেয়া সম্ভৱ হৈছে বুলি ক'ব নোৱাৰি। অসমৰ তিনি কোটি অসমীয়াই ব্যৱহাৰ কৰা গামোচাখন আহে বহিঃৰাজ্যৰ পৰা। আমি আমাৰ তাঁতশালত ব'ই ল'ব নোৱাৰো। গাঁৱে-ভূঞে তাঁতশাল হ্ৰাস হৈ আহিছে, আমাৰ গাঠিৰ ধন বাহিৰলৈ ওলাই গৈছে, অথচ বিহু বুলিলে আমাক গামোচা লাগিবই।

কেতিয়াবা বিহু আছিল পথাৰত। তাৰ পৰা আহি চোতাল পালে আৰু আজি বিহু উঠিছে মঞ্চত। একেখন বিহু মঞ্চত যেতিয়া বাগৰুম্বা, ঝুমুৰ, বাঁহনৃত্য তথা বিভিন্ন জনগোষ্ঠীৰ নৃত্য মঞ্চস্থ হয়, আমি ক'ব নোৱাৰাকৈয়ে বাৰেৰহণীয়া কৃষ্টিৰে জাতিটো এক হৈ পৰো, সকলো আপোন হৈ পৰো। আজি ৰাজনীতিকে ধৰি অন্যান্য কাৰণত গঢ় লোৱা পৃথকতাবাদী মানসিকতাৰ মূলাগ্ৰ উচ্ছেদ কৰি আকৌ বৰ অসম গঢ়িবলৈ বিহুটিকে বাৰু মাধ্যম হিচাপে ল'ব নোৱাৰোনে?

লক্ষণীয়ভাৱে আজিৰ বিহু মঞ্চত ঢোল, ম'হৰ শিঙৰ পেঁপা, গগনাৰ ঠাই লৈছে বৰ্তমান ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰই। গগনা তৈয়াৰ কৰা শিল্পী নাই, বিহু ঢোল তৈয়াৰ কৰে অনা-অসমীয়াই। লাখ লাখ টকীয়া আকৰ্ষক পুৰস্কাৰ লাভৰ বাবে 'বিহু কুঁৱৰী' অথবা 'বিহু সম্ৰাজ্ঞী'ৰ প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈছে, তাত সন্দেহ নাই। কিন্তু এই প্ৰতিযোগিতাসমূহ আমাৰ সংস্কৃতিক টনকিয়াল কৰিবৰ উদ্দেশ্যে পতা বুলি পতিয়ন যাব নোৱাৰি। সুদৃশ্য মঞ্চৰ আশে-পাশে অথবা বিহুতলীৰ পদূলিতে থিয় হৈ থকা বিদেশী বহুৰাষ্ট্ৰীয় কোম্পানীৰ বিয়াগোম হৰফৰ বিজ্ঞাপনৰ চকমকনিয়ে বিহুৰ উজ্জ্বলতাকো ম্লান কৰি নেপেলাইছেনে বাৰু? বহু ডাঙৰ ডাঙৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীয়ে যেতিয়া আমাৰ হিয়াৰ আমঠু বিহুটোক 'বিহ' বুলি অভিহিত কৰে, আমাৰ অন্তৰৰ কোনোবা নিভৃত কোণত খুন্দা নামাৰেনে? আমাৰ মুখ ফুটাই কোৱাৰ সাহস নাথাকে কাৰণ তেওঁলোকৰ আৰ্থিক সাহায্য অবিহনে আমি বিহুক সফল কৰিব নোৱাৰা, জানোচা অন্য বিহু সন্মিলনী আমাক চেৰ পেলাই আগবাঢ়ি যায়। বিহুৰ নামত সন্মিলনী বা মেলা পাতি আমি জাতিটোক টনকিয়াল কৰিব পাৰিম বুলি মনে নধৰে। বিহু হ'ল প্ৰাকৃতিক উৎসৱ—আমাৰ সমাজখনৰ অংগ। বিহু যদি কাইলৈ পৰাৱলম্বিত হৈ পৰে, তেন্তে আমি অংগচ্ছেদ হৈ পৰা শৰীৰত পৰিণত হ'ম যাক কৃত্ৰিমভাৱেও জোৰা লগোৱা কঠিন হৈ পৰিব।

নগৰৰ ধনাঢ্য মঞ্চৰ বিহুৰ লগত ফেৰ মাৰি আজিকালি গাঁৱে-ভূঞে মঞ্চ বিহুৰ প্ৰতিযোগিতা চলা পৰিলক্ষিত হৈছে। গাড়ী-মটৰ বা মটৰ চাইকেলেৰে যাব নোৱাৰি, ডেকা ল'ৰা বা গাভৰু ছোৱালীয়ে আগভেটি ধৰিব—চান্দা দিয়ক। নিদিলে অবাইচ মাত। এয়ানে আমাৰ বিহু সংস্কৃতি? দৈ-চিৰা-গুড়ে আজিকালি আমাৰ এচাম যুৱক-যুৱতীৰ জিভাত সোৱাদ লগাব নোৱাৰে। 'ম'ম' বা 'ৰোল' অথবা 'চাওমিন' জাতীয় বিদেশী খাদ্য লাগিব। স্বদেশী বিহু বিদেশী খাদ্যৰে? বিহুৱে আজি অসমীয়াক মাহ মাহ ধৰি আনন্দ প্ৰদান কৰে। বসন্ত ঋতু পাৰ হৈ গ্ৰীষ্ম, বৰ্ষা ঋতু পায়গৈ, বিহু শেষেই নহয়। দিনে-ৰাতি আনন্দহে আনন্দ। কিন্তু নিচাসক্ত এচামৰ দৌৰাত্ম্যৰ বাবে বিহুৰ এই আনন্দ সকলোৰে ভাগ্যত সম্ভৱ হৈ উঠেনে? বসন্ত ঋতুৰ ফৰকাল বতৰত মনো ফৰকাল হোৱা কথাটো আজি কল্পনা মাত্ৰ। অতি পৰিতাপৰ কথা হ'ল যে বিহু সংস্কৃতিটো ৰক্ষা কৰাৰ বাবে আমি কেইজনমান শিল্পী আৰু কেইটামান কেছেট কোম্পানীক যেন 'কনট্ৰেক্ট' দিছো। বিহুগীত অথবা নৃত্যৰ চিডিখন বজালেই যেন আমাৰ দায়িত্ব শেষ। মঞ্চতো শিল্পীৰ দ্বাৰা পৰিৱেশিত বিহুগীতৰ তুলনাত উদ্দাম বাদ্যযন্ত্ৰৰ ধ্বনিহে যেন আমাৰ আকৰ্ষণ। আমাৰ দৃষ্টিৰে এইবোৰ হ'ল বৰ্তমান পৰিষ্কৃত বিহুৰ সম্ভাব্য বিকৃতি। ইয়াক ৰোধ কৰিব লাগিব আমি সকলোৱে।

**সমগ্ৰ বিশ্বৰ সমূহীয়া উৎসৱবোৰৰ ভিতৰত ব'হাগ বিহুৰ এক সুকীয়া স্থান আছে। ৰূপে-ৰসে ভৰা ধৰিত্ৰীৰ এই বসন্ত ঋতুত, সেউজবুলীয়া পাহাৰ-পৰ্বত, বাৰেবৰণীয়া ফুলৰ ৰহণ, মাদকতা ভৰা মলয়া বতাহেৰে পুষ্ট শান্ত, সৌম্য প্ৰকৃতিৰ নিৰিবিলি পৰিৱেশৰ নান্দনিক সৌন্দৰ্যই আমাৰ মনৰ কলুষতা পলকতে আঁতৰাই আমাক সোঁৱৰাই দিয়ে জীৱন আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্ক। এই ৰঙালী বিহুৱে আমাক জাতীয় গৌৰৱত আপ্লুত কৰি তোলে।**

সোমনাথ মন্দিৰৰ সন্ধিয়াৰ আৰতিয়ে যিদৰে বিজয় উল্লাসৰ বাৰ্তা কঢ়িয়াই আনে ঠিক তেনেদৰে ঢোলৰ চেৱে আমাৰ প্ৰত্যেকৰে মন পুলকিত কৰি তোলে। সেইবাবেই সদায় চ্যুট-টাই লগোৱা ব্যক্তিজনেও চুৰিয়া-কামিজ অথবা দীঘল পেণ্ট পিন্ধাত অভ্যস্ত গাভৰুজনীয়েও বিহুৰ বতৰত মুগাৰ সাজযোৰ পিন্ধা পৰিলক্ষিত হয়। ইয়েই হ'ল বিহুৰ প্ৰতি থকা আমাৰ আত্মীয়তা।

সমগ্ৰ বিশ্বৰ সমূহীয়া উৎসৱবোৰৰ ভিতৰত ব'হাগ বিহুৰ এক সুকীয়া স্থান আছে। ৰূপে-ৰসে ভৰা ধৰিত্ৰীৰ এই বসন্ত ঋতুত, সেউজবুলীয়া পাহাৰ-পৰ্বত, বাৰেবৰণীয়া ফুলৰ ৰহণ, মাদকতা ভৰা মলয়া বতাহেৰে পুষ্ট শান্ত, সৌম্য প্ৰকৃতিৰ নিৰিবিলি পৰিৱেশৰ নান্দনিক সৌন্দৰ্যই আমাৰ মনৰ কলুষতা পলকতে আঁতৰাই আমাক সোঁৱৰাই দিয়ে জীৱন আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্ক। এই ৰঙালী বিহুৱে আমাক জাতীয় গৌৰৱত আপ্লুত কৰি তোলে।

এই বিহু হ'ল সংকল্পৰ বতৰ। গোষ্ঠী-জনগোষ্ঠীয় বিবাদ, পোৱা-নোপোৱাৰ বেদনা পৰিহাৰ কৰি, বিজতৰী তথাকথিত আধুনিক দুষ্কৃতিৰ দ্বাৰা প্ৰদূষিত সামাজিক পৰিৱেশক প্ৰত্যাহ্বান জনাই, পৰস্পৰৰ ঈৰ্ষা-দ্বেষ আদি সকলো ত্যাগ কৰি জাতীয় ঐক্য অটুট ৰখাৰ সংকল্প লোৱাৰ সময়। নৈতিক স্খলনে ভুলুণ্ঠিত কৰা মানৱতাক পুনৰুজ্জীৱিত কৰাৰ সময়। যুগৰ পৰিৱৰ্তনৰ লগত খাপ খুৱাই, বিহুৰ স্বকীয় বৈশিষ্ট্যৰ বিকৃতি হ'বলৈ নিদি অতিকৈ আপোন বিহুটিক জাতিটোৰ সোপান হিচাপে লৈ সুন্দৰ, শক্তিশালী সমাজ নিৰ্মাণত সহযোগী হওঁ আহক। বিহু বিহ নহৈ অমৃত হ'ব, জাতিটোৱে অমৰত্ব লাভ কৰিব।❐❐

*লেখকৰ ফোন নং ঃ ৯৪৩৫১-৬০৭৪৬*

# নমামি ব্ৰহ্মপুত্ৰ উৎসৱত ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জী

## উত্তৰ-পূবৰ জীৱনী শক্তি ব্ৰহ্মপুত্ৰ সংস্কৃতি-সভ্যতাৰ উৎস



অসমৰ জনজীৱনৰ প্ৰাণকেন্দ্ৰ মহাবাহু ব্ৰহ্মপুত্ৰক বিশ্বৰ বুকুত উজলাই তুলি অসমৰ পৰ্যটন ক্ষেত্ৰখনৰ বিকাশ তথা অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষিপ্ৰতৰ কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা ভাৰতবৰ্ষৰ সৰ্ববৃহৎ নদ উৎসৱ নমামি ব্ৰহ্মপুত্ৰ উৎসৱ যোৱা ৩১ মাৰ্চত উদ্বোধন কৰে ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে। গুৱাহাটীৰ ফাঁচীবজাৰৰ কাছমাৰী ঘাটত আয়োজিত উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ তথা বিনিয়োগৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থকা বুলি মন্তব্য কৰে। ভাৰতৰ বাবে আমেৰিকা আৰু ইউৰোপৰ তুলনাত দক্ষিণ-পূব এছিয়াৰ দেশসমূহ বেছি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত অসমকে ধৰি পূৰ্বোত্তৰীয় ৰাজ্যসমূহে বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। নমামি ব্ৰহ্মপুত্ৰ উৎসৱে অসমক পূব এছিয়া আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ বাবে এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক ক্ষেত্ৰ হিচাপে পৰিগণিত কৰোৱাত বিশেষ ভূমিকা ল'ব বুলি আঙুলিয়াই ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এক্ট ইষ্ট নীতি ৰূপায়ণৰ দুৱাৰমুখ হিচাপে অসমক উপস্থাপিত কৰিব এই উৎসৱে। নদীৰ পাৰতেই পৃথিৱীৰ বহু মহান সভ্যতাৰ জন্ম হোৱাৰ প্ৰসংগলৈ আঙুলিয়াই ৰাষ্ট্ৰপতি মুখাৰ্জীয়ে কয় যে নদীকেন্দ্ৰিক সভ্যতাসমূহৰ অন্যতম ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি উঠা সভ্যতা। নমামি ব্ৰহ্মপুত্ৰ উৎসৱৰ জৰিয়তে মহাবাহুৰ প্ৰতি অসমবাসীয়ে শ্ৰদ্ধা নিৱেদনৰ অভিনৱ প্ৰয়াস চলোৱা বুলি উল্লেখ কৰি তেওঁ এই প্ৰয়াসৰ বাবে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ভূয়সী প্ৰশংসা কৰে। ব্ৰহ্মপুত্ৰই অসম তথা পূৰ্বোত্তৰৰ সমাজ-সংস্কৃতি-অৰ্থনীতি আৰু বিকাশৰ মূল জীৱনী শক্তি বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে অসমৰ গৌৰৱোজ্জ্বল সভ্যতা আৰু অসমীয়া জাতিৰ অদম্য সাহসৰ সাক্ষী হৈ বৈ আছে মহাবাহু ব্ৰহ্মপুত্ৰ। অসমীয়া জনগণৰ শক্তি-সামৰ্থ্য আৰু প্ৰতিভাৰ উৎকৰ্ষ সাধন আৰু উপযুক্ত প্ৰয়োগেৰে অসম দেশৰ ভিতৰতে এখন অৰ্থনৈতিকভাৱে শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব। নমামি ব্ৰহ্মপুত্ৰ উৎসৱক এক নিয়মীয়া বাৰ্ষিক অনুষ্ঠান হিচাপে আয়োজন কৰিবলৈ ৰাজ্য চৰকাৰক পৰামৰ্শ দিয়াৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্ৰহ্মপুত্ৰক উজলাই ৰখাৰ উদ্দেশ্যে এটা সাংস্কৃতিক দল গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। এনে সাংস্কৃতিক দলে নদীৰ বুকুত অনন্য কাৰ্যসূচীৰে ব্ৰহ্মপুত্ৰ তথা অসমৰ গৌৰৱোজ্জ্বল ইতিহাস ভৌগোলিক সীমা অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ লৈ যাবলৈ সমৰ্থ হ'ব বুলিও আশা ব্যক্ত কৰে তেওঁ। নমামি ব্ৰহ্মপুত্ৰ উৎসৱে অসমৰ পৰ্যটনৰ বিকাশত বিশেষ বৰঙণি যোগাব বুলি মন্তব্য কৰি ৰাজ্যখনৰ সম্পদ আৰু সম্ভাৱনাৰ উপযুক্ত ব্যৱহাৰৰ বাবে বাস্তৱসন্মত নীতি যুগুত কৰাৰ ওপৰতো



গুৰুত্ব আৰোপ কৰে ৰাষ্ট্ৰপতি মুখাৰ্জীয়ে। অনৈক্যৰ মাজত ঐক্যৰ বাণীৰে মহীয়ান ভাৰতীয় সমাজ-সংস্কৃতি-সভ্যতাৰ কথাও উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশত জনসাধাৰণৰ মাজত কেতবোৰ ক্ষেত্ৰত মতভেদ থাকিলেও দেশবাসী সহনশীলতাৰ গুণেৰে সমৃদ্ধ। দেশত অসহনশীলতাই গা কৰি উঠাৰ অভিযোগ ভিত্তিহীন বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে ভূটানৰ জনসাধাৰণৰ উষ্ম আৱেগ আৰু সম্ভাষণ বাৰ্তা লৈ উৎসৱৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা চুবুৰীয়া দেশখনৰ প্ৰধান মন্ত্ৰী চেৰিং টবগেই ভাৰত আৰু ভূটানৰ মাজৰ ঐতিহাসিক সম্পৰ্ক আৰু সহযোগিতাৰ কথা দোহাৰি ভূটান আৰু ২৬৬ কিঃমিঃ জোৰা আন্তঃৰাষ্ট্ৰীয় সীমান্তৰে সংলগ্ন বুলি উল্লেখ কৰি তেওঁ কয় যে উমৈহতীয়া উদ্দেশ্যক প্ৰাধান্য দিয়ে চুবুৰীয়া দেশ দুখনে। অসমৰ উন্নয়নে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ লগতে বাংলাদেশৰ উন্নয়নতো ইতিবাচক প্ৰভাৱ পেলাব পাৰে বুলি অভিমত ব্যক্ত কৰে ভূটানী প্ৰধান মন্ত্ৰীগৰাকীয়ে। অসমৰ চহকী জৈৱ বৈচিত্ৰ্য, জলসম্পদ আৰু খনিজ সম্পদৰ বিকাশ তথা সংবৰ্ধনৰ বাবে ভূটানে সহযোগিতাৰ হাত আগবঢ়াব বুলি উল্লেখ কৰি টবগেই কয় যে গুৱাহাটীত ভূটান চৰকাৰে এটা বাণিজ্যিক দূতাৱাস মুকলি কৰাৰ বাবে যোগাযোগ চলাই আছে ভাৰত চৰকাৰৰ সৈতে।

উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰা অসমৰ ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিতে অসমৰ সভ্যতা-সংস্কৃতি বিশ্বৰ ভিতৰতে একক তথা অনন্য বুলি মন্তব্য কৰে। শংকৰ-মাধৱৰ সৃষ্টি নামঘৰ আৰু সত্ৰৰ পৰিৱেশে অসমভূমিক পৱিত্ৰ কৰি ৰখাৰ লগতে অসমৰ জনসাধাৰণে মৰম-চেনেহেৰে সকলোকে সন্মোহিত কৰি ৰখা বুলিও ভাষণত উল্লেখ কৰে ৰাজ্যপালগৰাকীয়ে। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰক অসমৰ প্ৰাণস্পন্দন তথা সংস্কৃতি সমন্বয়ৰ কেন্দ্ৰ আৰু অনন্ত প্ৰেৰণাৰ উৎস বুলি অভিহিত কৰে।ব্ৰহ্মপুত্ৰৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু অসমৰ সভ্যতা-সংস্কৃতিক বিশ্ববাসীৰ সন্মুখলৈ লৈ যোৱাটো প্ৰতিগৰাকী ভূমিপুত্ৰৰ দায়িত্ব বুলি মন্তব্য কৰি তেওঁ লগতে কয় যে অসমৰ সম্পদ আৰু সম্ভাৱনাৰ বিকাশ সাধনেই হৈছে নমামি ব্ৰহ্মপুত্ৰ উৎসৱৰ মূল লক্ষ্য। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীক কৃতজ্ঞতা জ্ঞাপন কৰে মুখ্য মন্ত্ৰীগৰাকীয়ে। একেদৰে উদ্বোধনী অনুষ্ঠানৰ আন এগৰাকী সন্মানীয় অতিথি তথা ভাৰতৰ সবাতোকৈ পুৰণি আৰু বিশ্বাসযোগ্য বন্ধু ৰাষ্ট্ৰ ভূটানৰ প্ৰধান মন্ত্ৰী চেৰিং টবগেকো ধন্যবাদ জ্ঞাপন কৰে। মহাবাহুৰে চুই যোৱা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত এই উৎসৱে ব্ৰহ্মপুত্ৰক অধিক ওচৰৰ পৰা উপলব্ধি কৰাৰ ক্ষেত্ৰত অসমবাসীক বিশেষভাৱে সহায় কৰিব বুলি মন্তব্য কৰে মুখ্য মন্ত্ৰীগৰাকীয়ে। ব্ৰহ্মপুত্ৰৰ স্পন্দন হৃদয়ত অনুভৱ কৰাৰ লগতে এই নমামি ব্ৰহ্মপুত্ৰ উৎসৱে নিৰৱধি বৈ নদখনৰ প্ৰতি অসমৰ জনগণক অধিক দায়বদ্ধ কৰি তুলিব বুলিও আশা ব্যক্ত কৰে তেওঁ। অসম চৰকাৰৰ উদ্যোগ, পৰিবহণ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আদৰণী ভাষণ দিয়া এই উদ্বোধনী অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় বিত্ত, স্বাস্থ্য আৰু শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ❐❐

